# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ৪ ডিচেম্বৰ ২০২০ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্রদান কৰা খোতবা জুমাৰ সাৰাংশ**

**ছৈয়দেনা হজৰত মহম্মদ মোস্তফা (ছাঃ)ৰ উচ্চ মর্যাদা সম্পন্ন চাহাবী হজৰত আলি (ৰাঃ)ৰ পৱিত্র গুনাৱলী সম্পর্কে ঈমান উদ্দীপক চমু বিৱৰণী।**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ اَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, যোৱা জুমাৰ খোতবাৰ পৰা হজৰত আলি (ৰাঃ)ৰ জীৱন চৰিত্ৰ সম্পর্কে বর্ণনা কৰা হৈ আছে। হজৰত আলি (ৰাঃ)ৰ ভাতৃত্ব বন্ধন সম্পর্কে বর্ণনা কৰা আছে যে আঁ-হজৰত (ছাঃ)য়ে দুবাৰকৈ হজৰত আলি (ৰাঃ)ক নিজৰ ভাই বুলি প্রকাশ কৰিছিল। এবাৰ ৰছুলুল্লাহ (ছাঃ)য়ে মক্কাত মুহাজিৰিণ আৰু আনছাৰসকলৰ মাজত হিজৰতৰ পিছত এনে ভাতৃত্ব বন্ধন প্রতিষ্ঠা কৰি দিছিল আৰু এই দুয়োবাৰেই আঁ-হজৰত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক কৈছিল,তুমি ইহকাল আৰু পৰকালত মোৰ ভাই হৈ থাকিবা।

হজৰত আলি (ৰাঃ)য়ে একমাত্র তবুকৰ যুদ্ধৰ বাহিৰে বদৰৰ যুদ্ধৰ পৰা লৈ সকলো যুদ্ধত ৰছুলুল্লাহ (ছাঃ)ৰ লগত সহযোগ কৰিছিল। তবুকৰ যুদ্ধৰ সময়ত ৰছুলুল্লাহ (ছাঃ)য়ে এখেত (ৰাঃ)ক পৰিয়াল বর্গৰ চোৱা-চিতা,ৰক্ষণা-বেক্ষণৰ নিমিত্তে নিযুক্ত কৰিছিল।

হজৰত স্বাআলবা বিন আবু মালিক বর্ণনা কৰিছে যে হজৰত ছাআদ বিন উবাদাহ সদায় ৰছুলুল্লাহ (ছাঃ)ৰ ফালৰ পৰা পতাকা বহন কৰিছিল কিন্তু যেতিয়া যুদ্ধ সংগঠিত হোৱাৰ সময় আহিছিল তেতিয়া হজৰত আলি (ৰাঃ)য়ে নিজে পতাকা হাতত লৈ লৈছিল।

চন দ্বিতীয় হিজৰীৰ জমাদিউল আউৱাল মাহত উস্বায়ৰাহৰ যুদ্ধ সংগঠিত হৈছিল। হজৰত আলি (ৰাঃ)আৰু মই একেলগে আছিল। সেই দিনাখন নবী কৰীম (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ৰ শৰীৰত মাটি লগা দেখি কৈছিল,হে আবু তোৰাব ! মই তোমালোকক দুজন দুর্ভগীয়া বেয়া লোকৰ বিষয়ে জনাম নে ? আমি কৈছিলো- হয় কওঁক ! ইয়া ৰছুলুল্লাহ ! তেখেত (ছাঃ)য়ে কৈছিল প্রথম জন হ'ল ছামুদ সম্প্রদায়ৰ লোক আওহিম,যিজনে হজৰত ছালেহ (আঃ)ৰ উটনীৰ ভৰি কাটি পেলাইছিল আৰু দ্বিতীয় জন লোক হ'ল তেওঁ হে আলি যিজনে তোমাৰ মূৰত কোব মাৰিব (আঘাত হানিব) যাৰ ফলত তোমাৰ মূৰৰ তেজেৰে তোমাৰ এই দাড়ি তিতি যাব।

বদৰৰ যুদ্ধ দুই হিজৰী চন অনুযায়ী ৬২৩ চনৰ মার্চ মাহত সংগঠিত হৈ শাৰি পাতিছিল তেতিয়া সর্ব প্রথম ৰুবিয়াৰ দুই পুত্র শ্বোয়েবা,উতবা আৰু অলিদ বিন আতবা আগুৱাই আহি লড়াইৰ আমন্ত্রণ দিছিল। তেতিয়া কবিলা বনু হাৰিছৰ তিনিজন আনছাৰ মুৱাজ আৰু মুৱাবিজ আৰু অউফ যি সকল আফৰাৰ বংশধৰ আছিল মোকাবিলা

কৰিবলৈ আগবাঢ়িছিল,কিন্তু ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁলোকক মাত দি ঘূৰাই আনিছিল আৰু কৈছিল-হে বনু হাশিম উঠা,নিজৰ অধিকাৰ ৰক্ষাৰ্থে যুঁজ দিয়া; যাৰ সৈতে আল্লাহ তা'লা তোমালোকৰ নবীক প্ৰেৰণ কৰিছে। গতিকে হজৰত হামজা (ৰাঃ),হজৰত আলি (ৰাঃ) আৰু হজৰত উবেয়দা (ৰাঃ)য়ে থিয় হৈছিল আৰু যেতিয়া সিহঁতৰ ফালে আগবাঢ়িলে তেতিয়া উতবা নিজৰ পুত্ৰক কলে, হে অলিদ উঠা, সেয়ে হজৰত আলি (ৰাঃ)য়ে তাৰ লগত যুঁজ দিবলৈ আগবাঢ়িলে আৰু দুয়োৰে মাজত তৰোৱালৰ যুঁজ আৰম্ভ হ'ব ধৰিলে আৰু হজৰত আলি (ৰাঃ)য়ে তাক হত্যা কৰি পেলাইছিল,আকৌ উতবা থিয় হ'ল আৰু হজৰত হামজা (ৰাঃ)য়ে তেওঁক হত্যা কৰিছিল। ইয়াৰ পিছত থিয় হৈছিল শ্বোয়েবা আৰু ইয়াৰ লগত যুঁজ দিছিল হজৰত উবেয়দা (ৰাঃ)। যিহেতু হজৰত উবেয়দা (ৰাঃ) বয়সস্থ লোক আছিল সেয়ে শ্বোয়েবা এখেত (ৰাঃ)ৰ ভৰিত তৰোৱালেৰে আঘাত হানি ভৰিৰ গোড়ালি ক্ষত কৰি পেলাইছিল। হজৰত হামজা (ৰাঃ) আৰু হজৰত আলি (ৰাঃ)য়ে আগবাঢ়ি গৈ শ্বোয়েবাৰ ওপৰত আক্ৰমণ চলাই তাক হত্যা কৰিছিল।

হজৰত আলি (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে বদৰৰ যুদ্ধৰ সময়ত মোৰ আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিষয়ে কৈছে যে তোমালোক দুয়োৰে মাজত এজনৰ সোঁফালে আছে হজৰত জিব্ৰাইল আৰু আনজনৰ সোঁফালে আছে হজৰত মিকাইল। আনহাতে হজৰত ইছৰাফিল ডাঙৰ ফিৰিস্তা যুদ্ধ কালীন অৱস্থাত উপস্থিত হয় আৰু শাৰীৰ ভিতৰত অৱস্থান কৰে।

হজৰত আলি (ৰাঃ)য়ে হজৰত ফাতিমা (ৰাঃ)ক ২ হিজৰীত বিয়া পাতিছিল। হজৰত আলি (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত হজৰত ফাতিমাৰ সৈতে নিজৰ বিবাহৰ প্ৰস্তাৱ আগবঢ়াইছিল আৰু এই প্ৰস্তাৱ হুজুৰ (ছাঃ)য়ে বৰ আনন্দেৰে স্বীকাৰ কৰি লৈছিল। তেখেত (ছাঃ)য়ে সুধিছিল তোমাৰ ওচৰত বিবাহৰ মোহৰানা দিবলৈ কিবা আছেনে ? তেতিয়া হজৰত আলি (ৰাঃ)য়ে কৈছিল-মোৰ ওচৰত মোৰ ঘোঁৰা আৰু যুদ্ধ কৰচটো আছে। আঁ-হজৰত (ছাঃ)য়ে কৈছিল, তুমি তোমাৰ যুদ্ধ কৰচটো বিক্ৰি কৰি দিয়া। গতিকে মই মোৰ সেই কৱচ (বৰ্ম) চাৰিশ আশী (৪৮০) দেৰহামত বিক্ৰি কৰি মোহৰানাৰ টকা যোগাৰ কৰিছিলোঁ। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় মানুহে কয় যে হ'ক মোহৰ ধাৰ্য্য কৰি ৰখা; পিছলৈ দি দিয়া যাব। কিন্তু আঁ-হজৰত (ছাঃ)য়ে কৈছে-আগতে হ'ক মোহৰ দিয়াৰ ব্যৱস্থা কৰা। ইয়াৰ আচল অৰ্থ হ'ল এয়া অতি সোনকালে পাবলগীয়া অধিকাৰ হয়। কিছুমানে মৌলৈ লিখিছে যে মোহৰানা মহিলাই আগতেই আদায় লৈ লৈছে যাৰ ফলত আমি আনন্দত আছো। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে মহিলাই মোহৰানা আদায় বিচাৰে মানে এয়া হ'ল সিহঁতৰ অধিকাৰ। এয়া লগে লগেই আদায় দিয়া উচিত।

আঁ-হজৰত (ছাঃ)য়ে হজৰত ফাতিমা (ৰাঃ)ৰ বিবাহ সম্পন্ন কৰি দিয়াৰ পিছত বিদায়ৰ সময়ত হজৰত আলি (ৰাঃ)ক কৈছিল-যেতিয়া ফাতিমা তোমাৰ ওচৰলৈ আহিব, মই নহালৈকে তুমি তাইৰ লগত কথা নাপাতিবা, ইয়াৰ পিছত যেতিয়া তেখেত (ছাঃ)য়ে তালৈ গৈছিল তেতিয়া হজৰত ফাতিমাক কৈছিল মোলৈ পানী লৈ আনা। তাই পানী আনি দিছিল আৰু আঁ-হজৰত (ছাঃ)য়ে সেয়া লৈ লৈছিল আৰু তাৰ পৰা কুল্লি কৰিছিল আৰু তাৰে পৰা অলপ পৰিমাণৰ পানী হজৰত ফাতিমা (ৰাঃ)ৰ মূৰত ছটিয়াই দিছিল আৰু দোৱা কৰি কৈছিল হে আল্লাহ; এওঁক আৰু ইয়াৰ সন্তানক ঘৃণ্য চয়তানৰ পৰা তোমাৰ আশ্ৰয়ত প্ৰদান কৰিলোঁ। আকৌ তেখেত (ছাঃ)য়ে কৈছিল তুমি তোমাৰ বিপৰীত ফালে মূৰ সলাই লোৱা। যেতিয়া তাই তেনেকৈ ঘূৰিছিল তেতিয়া আঁ-হজৰত (ছাঃ)য়ে তাইৰ কান্ধৰ মাজত পানী ছটিয়াই দিছিল। হজৰত আলি (ৰাঃ)ৰ সৈতেও এনেকুৱাই কৰিছিল।

হজৰত ফাতিমা (ৰাঃ) আঁ-হজৰত (ছাঃ)ৰ সেই সকল সন্তানৰ মাজত আটাইতকৈ সৰু আছিল যিসকলে হজৰত খাদিজা (ৰাঃ)ৰ গৰ্ভত জন্ম লৈছিল। আঁ-হজৰত (ছাঃ)য়ে নিজৰ সন্তান সকলৰ ভিতৰত হজৰত ফাতিমা

(ৰাঃ)ক আটাইতকৈ বেছি মৰম কৰিছিল।

হজৰত আলি (ৰাঃ)আৰু হজৰত ফাতিমা (ৰাঃ)য়ে নিজৰ অভাৱ অনাটন আৰু দৰিদ্ৰতা থকা সত্ত্বেও তাকৰা আৰু ধৈৰ্য্যৰ আদৰ্শ স্থাপন কৰিছিল। হজৰত আলি (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে হজৰত ফাতিমা (ৰাঃ)য়ে এবাৰ জাঁত চলাওতে হাতত কষ্ট পোৱা বুলি আপত্তি দৰ্শাইছিল। এনেতে নবী কৰীম (ছাঃ)ৰ অধীনত কেইজনমান কয়েদী আহিছিল তেতিয়া হজৰত ফাতিমা (ৰাঃ)য়ে হুজুৰ (ছাঃ)ৰ ওচৰলৈ গৈছিল কিন্তু তেখেত (ছাঃ)ক লগ পোৱা নাছিল। তেতিয়া হজৰত ফাতিমা (ৰাঃ)য়ে হজৰত আয়েশা (ৰাঃ)ৰ ওচৰত তাই অহাৰ উদ্দেশ্য সম্পৰ্কে জনাইছিল। যেতিয়া নবী কৰীম (ছাঃ)য়ে ঘৰলৈ আহিছিল তেতিয়া হজৰত আয়শা (ৰাঃ)য়ে হজৰত ফাতিমা (ৰাঃ)য়ে অহাৰ উদ্দেশ্য সম্পৰ্কে জনাইছিল। হজৰত আলি (ৰাঃ)য়ে কৈছে যে নবী কৰীম (ছাঃ)য়ে আমাৰ তালৈ আহিছিল, তেতিয়া আমি বিছনাত শুই পৰিছিলো, আমি তেখেত (ছাঃ)ক দেখি বিছনাৰ পৰা উঠিবলৈ লওঁতেই তেখেত (ছাঃ)য়ে কৈছিল তোমালোকে নিজৰ ঠাইতে থাকা। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে আহি আমাৰ মাজত বহিছিল। তেখেত (ছাঃ)য়ে কৈছিল মই তোমালোক দুজনক তোমালোকে দুজনে বিচৰাতকৈ উত্তম কথা এটা জনামনে? সেয়া হ'ল এয়া যে যেতিয়া তোমালোকে দুয়ো নিজৰ বিছনাত শুই পৰিবা তেতিয়া চৌত্ৰিশবাৰ আল্লাহু আকবৰ ক'বা,তেত্ৰিশবাৰ ছুবহানাল্লাহ পঢ়িবা আৰু তেত্ৰিশবাৰ আলহামদুলিল্লাহ পঢ়িবা। এয়া তোমালোকে দুজনৰ নিমিত্তে এজন খাদিমতকৈ বেছি উত্তম।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই ঘটনা সম্পৰ্কে লিখিছে যে যদি আঁ-হজৰত (ছাঃ)য়ে বিচাৰিলে হয় তেন্তে হজৰত ফাতিমা (ৰাঃ)ক এজন খাদিম আনি দিব পাৰিলেহেঁতেন। কাৰণ যি ধন মাল বিতৰণ কৰিবলৈ আঁ-হজৰত (ছাঃ)ৰ ওচৰত আহিছিল, সেইবোৰ চাহাবাসকলৰ নিমিত্তেই আহিছিল আৰু হজৰত আলি (ৰাঃ)ৰও তাত অধিকাৰ আছিল আৰু হজৰত ফাতিমা (ৰাঃ)য়ও সেইবোৰৰ অংশীদাৰ আছিল। কিন্তু আঁ-হজৰত (ছাঃ)য়ে ভৱিষ্যতলৈ সাৱধানতা অৱলম্বন কৰিছিল আৰু এই ধন মালৰ পৰা নিজৰ আত্মীয় স্বজনক ভাগ দিব বিচৰা নাছিল কাৰণ সন্দেহ আছিল যে ভৱিষ্যতলৈ লোকে ইয়াৰ পৰা কিবা নহয় কিবা এটা অৰ্থ লৈ ল'ব আৰু ৰজায় লোকৰ ধন নিজৰ বাবে জায়েজ বুলি লৈ ল'ব। পৃথিৱীত এনেকুৱা কোনো ৰজাৰ উদাহৰণ দিব পাৰিবনে যিয়ে বায়তুল মালৰ এনেকুৱা ৰক্ষণা-বেক্ষণ কৰিছে।

হজৰত আলি বিন আবু তালিব (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে এদিন ৰাতি তেখেতৰ জীয়েক হজৰত ফাতিমা (ৰাঃ)ৰ ওচৰত আহি কয় যে কিয় তোমালোকে দুজনে নমাজ নপঢ়ানে অৰ্থাৎ (তাহাজ্জুদৰ নমাজ) তেতিয়া মই নিবেদন কৰিছিলোঁ ইয়া ৰছুলুল্লাহ (ছাঃ) আমাৰ প্ৰাণ আল্লাহ তা'লাৰ হাতত মুঠিত; যেতিয়া বিচাৰিব তেতিয়াই সি আমাক উঠাই ল'ব পাৰে। আঁ-হজৰত (ছাঃ)য়ে এয়া শুনি ইয়াৰ কোনো উত্তৰ দিয়া নাছিল আৰু ওভতি গুচি গৈছিল। হজৰত আলি (ৰাঃ)য়ে কৈছে যে মই তেখেত (ছাঃ)ৰ যোৱাৰ সময়ত তেখেত (ছাঃ)ক কওঁতে শুনিছো,তেখেত (ছাঃ)য়ে নিজৰ ঊৰুত চাপৰ মাৰি কৈছিল যে وَكَانَ الْإِنسَانُ أَكْثَرَ شَيْءٍ جَدَلًا অৰ্থাৎ মানুহ আটাইতকৈ বেছি তৰ্ক কৰোঁতা।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে এইটো কোৰ-আন কৰীমৰ এটা আয়াত যাৰ অৰ্থ হ'ল এয়া যে মানুহে বেছিভাগেই নিজৰ ভুল স্বীকাৰ কৰিবলৈ ভয় কৰে আৰু বিভিন্ন ধৰণৰ প্ৰমাণ আদি আগবঢ়াই নিজৰ ভুল ঢাকি ৰাখিবলৈ চেষ্টা কৰে। ইয়াতে আঁ-হজৰত (ছাঃ) য়ে অসন্তুষ্ট হ'ব বুলি হজৰত আলি (ৰাঃ)য়ে এনেকুৱা এটা সুন্দৰ সূক্ষ্ম পদ্ধতি অৱলম্বন কৰিছে যে হজৰত আলি (ৰাঃ)য়ে নিজৰ জীৱনৰ শেষ দিনবোৰলৈকে সম্ভৱত এই মুহূৰ্তখিনিৰ স্মৃতিচাৰণ কৰি আনন্দ উপভোগ কৰিছিল।

উক্ত হাদীছখনৰ পৰা আমি বহু কেইটা কথাৰ জ্ঞান লাভ কৰিব পাৰো, যাৰ পৰা আঁ-হজৰত (ছাঃ)ৰ পৱিত্ৰ

গুনাৱলীৰ বিভিন্ন দিশ পোহৰলৈ আহে। প্ৰথম হ'ল এয়া যে তেখেত (ছাঃ)য়ে দ্বীনদাৰৰ প্ৰতি ইমানেই দৃষ্টি ৰাখিছিল যে ৰাতিৰ বেলিকা উঠি গৈ নিজৰ আত্মীয় স্বজনৰ প্ৰতি লক্ষ্য প্ৰদান কৰিছিল। দ্বিতীয় কথা হ'ল এয়া যে ৰাতিৰ বেলিকা গৈ নিজৰ জীয়েক আৰু জোঁৱায়েকক মনত পেলাই দিছিল যে তেওঁলোকে যেন নমাজে তাহাজ্জুদ পঢ়ে। এই কাৰ্যই তেখেত (ছাঃ)ৰ সেই পূৰ্ণ বিশ্বাসৰ প্ৰমাণ দিয়ে যি তেখেত (ছাঃ)য়ে এই শিক্ষাৰ ওপৰত ৰাখিছিল আৰু যাৰ ওপৰত তেখেত (ছাঃ)য়ে মানুহক চলাব বিচাৰিছিল। তৃতীয় কথা হ'ল এয়া যে আঁ-হজৰত (ছাঃ)য়ে প্ৰত্যকটো কথা লোকক বুজাবলৈ ধৈৰ্য্য আৰু কোমলতা অৱলম্বন কৰিছিল আৰু বিতৰ্ক কৰাৰ সলনি মৰম ভালপোৱাৰে অইনৰ ভুল আঙুলিয়াই দিছিল। হজৰত আলি (ৰাঃ)য়ে কৈছে যে ইয়াৰ পিছত মই কেতিয়াও তাহাজ্জুদ নমাজত গাফিলতি কৰা নাছিলো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই বৰ্ণনা আগলৈ চলিব ইনশা আল্লাহ। বৰ্তমান পাকিস্তানৰ পৰিস্থিতি আহমদীসকলৰ ফালে আৰু বেছি কঠোৰ হ'বলৈ লৈছে। কিছুমান বিষয় ববীয়া সকলে মৌলবী সকলৰ লগত মিলি ষড়যন্ত্ৰ ৰটনা কৰি আমাৰ ক্ষতি সাধন কৰাৰ অপচেষ্টা চলাই আছে; সেয়ে বিশেষ কৰি দোৱা কৰিব; আল্লাহ তা'লা সকলো ঠাইতেই তেওঁলোকক নিৰাপদে ৰাখক আৰু ষড়যন্ত্ৰকাৰীৰ চয়তানিৰ পৰা ৰক্ষা কৰক। ৰাবোৱাৰ আহমদী সকল আৰু পাকিস্তানৰ বিভিন্ন চহৰৰ আহমদী সকলে দোৱা কৰিব যাতে আল্লাহ তা'লা শত্ৰুৰ ভয়ানক পৰিকল্পনাৰ পৰা সকলোকে নিৰাপদ ৰাখে আৰু এই দুষ্ট চক্ৰৰ গ্ৰেপ্তাৰীৰ বাবে বন্ধৱস্থ আৰু সুযোগ দান কৰে।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম কমাণ্ডৰ চৌধুৰী মহম্মদ আছলম চাহাব মৰহুম,মকৰমা শ্বাহিনা কমৰ চাহিবা মৰহুমা, মকৰম ছমৰ আহমদ কমৰ চাহাব মৰহুম আৰু মকৰমা ছৈয়েদা আফজাল খুখৰ চাহিবা মৰহুমা সকলৰ পৱিত্ৰ গুণাৱলীৰ চমু বিৱৰণী আগবঢ়ায়। হুজুৰ আনোৱাৰ (আইঃ)য়ে উক্ত মৰহুমিন সকলৰ নমাজে জানাজা গায়েব পঢ়া হ'ব বুলি ঘোষণা কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لاَ اِلٰهَ اِلاَّ اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَاۤءِ ذِی الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَاۤءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 4 DECEMBER 2020

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844